**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 28-06-2025 **Time :** 0755Hrs.

# Assamese Morning Bulletin

কেন্দ্ৰীয় কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ খনি খণ্ডৰ বিকাশৰ ক্ষেত্ৰত গুৰুত্ব দিবলৈ আহ্বান জনাইছে। তেওঁ কয়, যে এই খণ্ডত লুকাই থকা খনিজ সম্পদ অন্বেষণৰ বাবে কেন্দ্ৰই সক্ৰিয়ভাৱে সহযোগিতা আগবঢ়াব। গুৱাহাটীত আয়োজিত দ্বিতীয় উত্তৰ-পূব ভূতত্ব আৰু খনি মন্ত্ৰীসকলৰ সন্মিলনত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কালি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে দেশৰ খনি আৰু শক্তি খণ্ডৰ বিকাশত উত্তৰ-পূৰ্বাঞ্চলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণৰ সম্ভাৱনা আছে। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ বাবে ৰাজ্য ভিত্তিক খনি পৰিকল্পনা ৰূপায়ণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে বুলিও শ্ৰী ৰেড্ডীয়ে প্ৰকাশ কৰে।

সন্মিলনত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কয়, যে খনি আৰু খনিজাত পদাৰ্থ সঠিকভাৱে অন্বেষণৰ জৰিয়তে অসমৰ অৰ্থনীতি শক্তিশালী কৰাৰ দিশত ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। ডঃ শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নীতিগত হস্তক্ষেপৰ বাবেই উত্তৰ-পূৰ্বাঞ্চলত দীৰ্ঘদিন ধৰি বন্ধ হৈ থকা কয়লা ক্ষেত্ৰসমূহ মুকলি হ'ল আৰু বৰ্তমান ইয়াৰ সুফল লাভ কৰা হৈছে বুলি মন্তব্য কৰে। তেওঁ কয়, যে খনিজ সম্পদ আহৰণৰ জৰিয়তে আদায় হোৱা ৰাজহৰ জৰিয়তে প্ৰতিখন ৰাজ্য উপকৃত হ'ব।

অসমত প্ৰস্তাৱিত তিনি হাজাৰ ৪০০ মেগাৱাট তাপবিদ্যুৎ প্ৰকল্পৰ বাবে কেন্দ্ৰীয় চৰকাৰে কয়লা যোগান ধৰাৰ আশ্বাস দিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। কালিৰ অনুষ্ঠানত উত্তৰ-পূৰ্বাঞ্চলৰ ভূ-তাত্বিক সম্ভাৱনীয়তা বিষয়ক ৰূপৰেখা পত্ৰও উদ্বোধন কৰা হয়। দুদিনীয়া এই সন্মিলনত কয়লা আৰু খনি বিভাগৰ ৰাজ্য মন্ত্ৰী সতীশ চন্দ্ৰ ডুবে তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ খনিমন্ত্ৰীসকলে অংশগ্ৰহণ কৰে।

০০০০০০০

শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ তৈল ক্ষেত্ৰৰ ভটিয়াপাৰৰ ১৪৭ নম্বৰ তৈল খাদটোৰ গেছ নিৰ্গমন ১৬ দিনৰ পাছত অৱশেষত কালি বিশেষজ্ঞসকলে ৰোধ কৰিবলৈ সমৰ্থ হয়। ১২ জুনত আৰম্ভ হোৱা এই বিপজ্জনক গেছ নিৰ্গমন অ' এন জি চিৰ সংকট ব্যৱস্থাপনা দলে আন্তঃৰাষ্ট্ৰীয় বিশেষজ্ঞৰ সহায়ত স্থায়ীভাৱে বন্ধ কৰিবলৈ সমৰ্থ হয়। উল্লেখযোগ্য যে বিগত এসপ্তাহ ধৰি প্ৰতিকূল পৰিস্থিতিকো নেওচি আমেৰিকাৰ বিশেষজ্ঞ দলৰ নেতৃত্বত খাদটোৰ গেছ নিৰ্গমন ৰোধ কৰি সম্পূৰ্ণৰূপে বন্ধ কৰাৰ প্ৰচেষ্টা চলাই থকা হৈছিল। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই সফলতাৰ বাবে অ' এন জি চি আৰু প্ৰশাসনৰ প্ৰচেষ্টাৰ শলাগ লয়। তেওঁ বিশেষকৈ বিগত দিনকেইটাত অপৰিসীম ধৈৰ্য্য আৰু বিশ্বাসেৰে সংশ্লিষ্ট সংস্থাৰ সৈতে সহযোগিতা আগবঢ়োৱাৰ বাবে ক্ষতিগ্ৰস্ত অঞ্চলটোৰ জনসাধাৰণৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে।

০০০০০০০

ৰাজ্যিক স্তৰৰ নিযুক্তি আয়োগৰ তৃতীয়বৰ্গৰ গাড়ী চলোৱা দক্ষতা পৰীক্ষাত অৱতীৰ্ণ হ'ব নোৱাৰা ডিমা হাচাও আৰু বৰাক উপত্যকাৰ প্ৰাৰ্থীসকলৰ বাবে ৰাজ্য চৰকাৰে এটা নতুন তাৰিখত তেওঁলোকক পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ সুযোগ প্ৰদান কৰি বিশেষ নিৰ্দেশনা জাৰি কৰিছে। উল্লেখযোগ্য যে ডিমা হাচাও জিলাৰ অন্তৰ্গত ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ জাতিংগা আৰু লামপুৰৰ মাজত হোৱা প্ৰৱল ভূমিস্খলনৰ বাবে যোগাযোগ ব্যাহত

হোৱাত প্ৰাৰ্থীসকলে এই পৰীক্ষাত অৱতীৰ্ণ হ'ব পৰা নাছিল। এনে প্ৰাৰ্থীসকলক স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰসহ তেওঁলোকৰ প্ৰৱেশপত্ৰ ই-মেইল যোগে প্ৰেৰণ কৰিবলৈ আহ্বান জনোৱা হৈছে। প্ৰাৰ্থীসকলে SLRC3ASSAM@GMAIL.COMত আয়োগলৈ সংশ্লিষ্ট তথ্য প্ৰেৰণ কৰিব পাৰিব।

০০০০০০০

ৰাজ্য চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ে ২০২৫-২৬ নতুন শিক্ষাবৰ্ষত সকলো বিদ্যালয়ৰ বাবে প্ৰযোজ্য হোৱাকৈ কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনা অনুসৰি প্ৰতিগৰাকী  শিক্ষকে পুৱা ৯ বজাৰ পূৰ্বে বিদ্যালয়ত উপস্থিত হ'ব লাগিব। শিক্ষকসকলে শৈক্ষিক দিনপঞ্জীত নিৰ্ধাৰণ কৰা সময় অনুসৰিহে বিদ্যালয় এৰিব পাৰিব। বিদ্যালয়ত প্ৰৱেশ আৰু প্ৰস্থানৰ সময় শিক্ষাসেঁতু এপত অন্তৰ্ভুক্ত কৰিব লাগিব। প্ৰতিগৰাকী শিক্ষাৰ্থীৰ উপস্থিতিৰ তথ্য লোৱাৰ বাবে শ্ৰেণী শিক্ষক দায়বদ্ধ হ'ব। তদুপৰি  সকলো স্নাতকোত্তৰ শিক্ষকে হাইস্কুল পৰ্যায়তো শিক্ষাদান কৰিব লাগিব বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে। একেদৰে বিদ্যালয়ৰ অন্যান্য কৰ্মচাৰীসকলেও দিনৰ ১০ বজাৰ পূৰ্বে বিদ্যালয়ত উপস্থিত হ'ব লাগিব আৰু বিয়লি চাৰে ৪ বজালৈ বিদ্যালয়ত থাকিব লাগিব বুলি নিৰ্দেশনাটোত কোৱা হৈছে।

০০০০০০০

দেশৰ জৰুৰীকালীন অৱস্থাৰ বিষয়ে যুৱ প্ৰজন্মক সজাগ কৰাৰ উদ্দেশ্যে আজি বিজেপিৰ যুৱমৰ্চা আৰু মহিলা মৰ্চাৰ উদ্যোগত ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ত ম'ক পাৰ্লিয়ামেণ্ট অনুষ্ঠিত হ'ব। কালি মহাবিদ্যালয়খনত সাংসদ তথা বিজেপিৰ অসম প্ৰদেশৰ সভাপতি দিলীপ শইকীয়া, ৰাজ্যিক উপ-সভাপতি পুলক গোহাঁই, মন্ত্ৰীদ্বয় বিমল বৰা, প্ৰশান্ত ফুকন, সাধাৰণ সম্পাদক ঋতুপৰ্ণা বৰুৱা, যুৱ মৰ্চাৰ ৰাজ্যিক সভাপতি ৰাকেশ দাসৰ লগতে অন্যান্য বহু লোকে মহাবিদ্যালয়খনত উপস্থিত হৈ ম'ক পাৰ্লিয়ামেণ্টৰ আয়োজন সম্পৰ্কে বুজ লয়।

০০০০০০০

যোৰহাট ষ্টেট বেংকৰ প্ৰশাসনীয় আৰু আঞ্চলিক কাৰ্যালয়ে কালি যোৰহাটত এটা ৰক্তদান শিবিৰৰ আয়োজন কৰে। লায়নছ ক্লাবৰ যোৰহাট শাখাই এই শিবিৰৰ প্ৰতি যথোচিত সহায়-সমৰ্থন আগবঢ়াই ১০০ ইউনিট তেজ সংগ্ৰহ কৰে। যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ থকা তেজৰ প্ৰয়োজন হোৱা ৰোগীসকলৰ বাবে এই সংগৃহীত তেজ যোগান ধৰা হ'ব।

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰা বনাঞ্চলৰ অন্তৰ্গত আৰিমোৰা এলেকা বছৰৰ দ্বিতীয়টো বানৰ কবলত পৰিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ সূত্ৰই জনোৱা মতে, ডিব্ৰুগড় আৰু নিমাতিঘাটৰ ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ বিপদসীমা অতিক্ৰম কৰাৰ ফলত কাজিৰঙাতো জলস্তৰ বৃদ্ধি হোৱাৰ আশংকা কৰা হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনত সতৰ্কতামূলক ব্যৱস্থা হিচাপে কাজিৰঙাৰ মাজেৰে যোৱা ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত প্ৰশাসনে ১৪৪ ধাৰা বলৱৎ ৰখাৰ লগতে কৰিড'ৰসমূহত বেৰিকেড স্থাপন কৰিছে। বানৰ সময়ত ৰাষ্ট্ৰীয় ঘাইপথ অতিক্ৰম কৰি কাৰ্বি পাহাৰৰ ওখ স্থানলৈ নিৰাপদ আশ্ৰয়ৰ বাবে যোৱা বন্যপ্ৰাণীৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি উদ্যান কৰ্তৃপক্ষই এই ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০০

**সমাপ্ত**